# খবৰনামা

## ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ খবৰ

তৃতীয় প্ৰকাশ, জুন, ২০০৮ চন

সম্পাদক - সোমনাথ বৰা



মহাবিদ্যালয়ৰ মুখ্য প্ৰৱেশদ্বাৰ



ড° বিৰিঞ্চি কুমাৰ বৰুৱা জন্ম শতবৰ্ষ আৰম্ভণি অনুষ্ঠানৰ এটি দৃশ্য

### অধ্যক্ষৰ একাষাৰ

শিক্ষানুষ্ঠান এখনৰ কাম-কাজ আৰু অগ্ৰগতিৰ খবৰ ইয়াৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত লোকক অৱগত কৰাৰ প্ৰয়োজন নিশ্চয় আছে। এই উদ্দেশ্য আগত ৰাখিয়েই মহাবিদ্যালয়ৰ তৰফৰ পৰা 'খবৰনামা' প্ৰকাশৰ দিহা কৰা হৈছিল। ইতিমধ্যে ইয়াৰ দুটা সংখ্যা সময়মতে প্ৰকাশ কৰিব পৰাটো আনন্দৰ কথা। এই ক্ষেত্ৰত সম্পাদক শ্ৰীসোমনাথ বৰাৰ অৰিহণা অধিক। সেয়ে শ্ৰীবৰা সাধুবাদৰ পাত্ৰ।

বিগত শিক্ষাবৰ্ষত মহাবিদ্যালয়ে কেতবোৰ লেখত ল'বলগীয়া পদক্ষেপ গ্ৰহণ কৰিছিল। মহাবিদ্যালয় চৌহদৰ পৰা দাঁতিকাষৰীয়া বিদ্যালয়সমূহলৈকে বিভিন্ন কাৰ্যসূচীৰ ৰূপায়ণক্ষেত্ৰ প্ৰসাৰিত হৈছিল। মহাবিদ্যালয়ৰ কায়িক আৰু বিদ্যায়তনিক দিশত হোৱা অগ্ৰগতিৰ চিত্ৰ এখন এই খবৰনামাৰ জৰিয়তে প্ৰকাশ পাব বুলি আশা কৰিছোঁ। লগতে আশা কৰিছোঁ — শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী লোকৰ সক্ৰিয় সহযোগত মহাবিদ্যালয়খন অধিক আগুৱাই যাব।

### সম্পাদকীয়

মহাবিদ্যালয় হৈছে উচ্চ শিক্ষাৰ হাবিয়াস পূৰণৰ প্ৰকৃত ক্ষেত্ৰ। এই ক্ষেত্ৰখন যিমান বিস্তৃত আৰু উৰ্বৰা হয় ছাত্ৰ-ছাত্ৰীও সিমান উপকৃত হয়। এই উদ্দেশ্য আগত ৰাখিয়েই মহাবিদ্যালয়ৰ বিভিন্ন দিশত উন্নয়নৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈছে। ছাত্ৰ-ছাত্ৰী, অঞ্চলৰ ৰাইজৰ অৱগতিৰ অৰ্থে খবৰনামা প্ৰকাশ কৰি আগবঢ়ালোঁ। আমাৰ মহাবিদ্যালয়ৰ প্ৰতি ৰাইজৰ আৰু ছাত্ৰ-ছাত্ৰীৰ দৃষ্টি অধিক আকৰ্ষণ কৰিব পাৰিলেই আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। অনিচ্ছাকৃতভাৱে তথ্য বাদ পৰি যোৱা বা ভুল-ভ্ৰান্তিৰ বাবে আমি ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

## চকুৰ পলকতে মহাবিদ্যালয়খন

**✱ মহাবিদ্যালয়ৰ নাম আৰু ঠিকনা ঃ**

**ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়**

স্থাপিত - জুলাই, ১৯৬৭ চন

ডাক - পুৰণিগুদাম

জিলা - নগাঁও (অসম) ঃ ডাক - সূচাংক - ৭৮২১৪১

দূৰভাষ - ০৩৬৭২-২৮১৬২৭

ই-মেইল **bkb college @hot mail. com**

✱ বিশ্ববিদ্যালয় অনুদান আয়োগত পঞ্জীয়ন কাল ঃ ৪ জানুৱাৰি, ১৯৯৩ চন।

✱ পাঠদান শাখা ঃ কলা

✱ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা (২০০৭-০৮ শিক্ষাবৰ্ষ) ঃ

(ক) উচ্চতৰ মাধ্যমিক শ্ৰেণীত ঃ ৮৯ জন

(খ) স্নাতক মহলাত ঃ ৪১৯ জন

মুঠ ছাত্ৰ-ছাত্ৰী ঃ ৫০৮ জন

মহাবিদ্যালয়ত অনুমোদিত শিক্ষকৰ পদ ২৪ টা। অনুমোদিত পদত ২৩ জন শিক্ষক আছে। এটা পদ সোনকালে পূৰণ হ'ব। তদুপৰি অনুমোদনহীন পদত তিনিজন শিক্ষকে পাঠদান কৰি আছে। কোনো বিষয়ত ভৰপূৰ পাঠদানৰ সময়ত অংশকালীন শিক্ষককো মকৰল কৰা হয়। অনুমোদিত কৰ্মচাৰীৰ পদ ৯ টা যদিও সাতজন কৰ্মচাৰীয়েহে কাৰ্যনিৰ্বাহ কৰি আছে। দুটা পদ পূৰণ হোৱাৰ পথত। ইয়াৰ বাহিৰে অনুমোদনহীন পদত পাঁচজন চতুৰ্থবৰ্গৰ কৰ্মচাৰী আছে।

মহাবিদ্যালয়খনত স্নাতক পৰ্যায়লৈকে অসমীয়া, উচ্চ অসমীয়া, ইংৰাজী, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, শিক্ষা, বুৰঞ্জী, ভূগোল আৰু পৰিৱেশ বিজ্ঞান — এইকেইটা বিষয় অধ্যয়ন কৰাৰ সুবিধা আছে। স্নাতক মহলাত পৰিৱেশ বিজ্ঞানৰ বাহিৰে সকলো বিষয়ত 'গুৰু পাঠ্যক্ৰম' অধ্যয়ন কৰাৰ সুবিধা আছে।

তাৰ উপৰি নিম্নোক্ত বিষয় বা পাঠ্যক্ৰমত অধ্যয়ন কৰাৰ সুবিধা আছে।

**ক) ইনষ্টিটিউট অৱ ডিষ্টেন্ট এণ্ড অপেন লাৰ্নিং (IDOL)** ঃ ইয়াৰ এটা কেন্দ্ৰ মহাবিদ্যালয়ত আছে। Post-Graduate cor-respondence School-ৰ ঠাইত বৰ্তমান এই নাম গ্ৰহণ কৰা হৈছে। স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে বিষয়ভেদে মুঠ দহ হাজাৰ বা বাৰ হাজাৰ টকাৰ ফীজেৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ পাঠ্যক্ৰমত স্নাতকোত্তৰ মহলাত অধ্যয়ন কৰা আৰু পৰীক্ষা দিয়াৰ সুবিধা ল'ব পাৰে। ২০০৭-০৮ শিক্ষাবৰ্ষত কেইবাজনো লোকে মহাবিদ্যালয়ৰ কেন্দ্ৰৰ জৰিয়তে নামভৰ্তি কৰি স্নাতকোত্তৰ পৰীক্ষাৰ বাবে সাজু হৈছে। মহাবিদ্যালয়ে তেওঁলোকক সকলো দিশত পাৰ্যমানে সহায়-সহযোগিতা আগবঢ়াই আহিছে।

**খ) ফেশ্বন, টেক্সটাইল এণ্ড ইনটেৰিয়ৰ ডিজাইনিং পাঠ্যক্ৰম** ঃ বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বিশ্ববিদ্যালয়

অনুদান আয়োগৰ অৰ্থ অনুমোদনেৰে মহাবিদ্যালয়ত এই পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়টো অধ্যয়ন কৰিবলৈ সুবিধা পায়। বৰ্তমানে তিনিজন প্ৰশিক্ষকে বিষয়টোত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দি আছে। পাঠ্যক্ৰমৰ সময় এবছৰীয়া।


মহাবিদ্যালয়ত অনুষ্ঠিত অন্বেষা গ্ৰন্থমেলাৰ এটি দৃশ্য

**গ) কম্পিউটাৰ কৰ্চ ঃ** কম্পিউটাৰৰ অপৰিহাৰ্যতা এতিয়া সৰ্বত্ৰ স্বীকৃত। এই দিশলৈ লক্ষ্য ৰাখি মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে মাহেকীয়া ফীজ দি কম্পিউটাৰ কৰ্চৰ ডিপ্লমা ল'ব পাৰে। ইতিমধ্যে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই শিক্ষাৰ সুবিধা গ্ৰহণ কৰিছে।

**ঘ) কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰ ঃ** উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ নোহোৱা যিসকল ছাত্ৰ-ছাত্ৰী উচ্চশিক্ষাৰ প্ৰতি আগ্ৰহী, তেওঁলোকে যাতে স্নাতক মহলাত নামভৰ্তি কৰিব পাৰে তাৰ বাবে বিশ্ববিদ্যালয়ে Bachelor's Preparatory Programme (BPP)-ৰ ব্যৱস্থা কৰিছে। মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰত ইতিমধ্যে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে।

**ঙ) সঙ্গীত বিদ্যালয় ঃ** চলিত শিক্ষাবৰ্ষতে মহাবিদ্যালয়ত ভাটখাণ্ডে সঙ্গীত বিদ্যাপীঠৰ অধীনত এখন সঙ্গীত বিদ্যালয় খোলা হৈছে। প্ৰতি সোমবাৰ আৰু শুক্ৰবাৰে কণ্ঠ আৰু তবলাৰ বিষয়ত ইয়াত শিক্ষাদান কৰা হ'ব।

তাৰ উপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীত নামভৰ্তি কৰিব পাৰে।

## বিভিন্ন বিভাগৰ শিক্ষাসদী কাম-কাজ

**অসমীয়া বিভাগ ঃ** অসমীয়া বিভাগে ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ জন্ম দিৱসৰ লগত সঙ্গতি ৰাখি বিভাগীয় বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° পৰমেশ দত্তই 'পৰিৱৰ্তনৰ পটভূমিত অসমীয়া সংস্কৃতি' শীৰ্ষক আলোচনা আগবঢ়ায়। বক্তৃতানুষ্ঠানৰ সংযোজক হিচাপে থাকে বিভাগীয় প্ৰবক্তা সোমনাথ বৰা। বিভাগীয় মুৰব্বী আব্দুল হাছেম "Selection Grade" প্ৰবক্তালৈ উন্নীত

হয়। শ্ৰীমতী অঞ্জুমণি বৰা আৰু শ্ৰীমতী মল্লিকা বৰাই গুৱাহাটী বিশ্ববিদ্যালয়ত পৰিশীলন পাঠ্যক্ৰম আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত এক কৰ্মশালাত অংশগ্ৰহণ কৰে। বিভাগে এখন বিভাগীয় আলোচনী প্ৰকাশৰ দিহা কৰিছে আৰু ৰাজ্যিক পৰ্যায়ত এখন আলোচনাচক্ৰ অনুষ্ঠিত কৰিবলৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত আবেদন কৰিছে।

**অৰ্থনীতি বিভাগ ঃ** এই বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰীমতী লখিমী কাকতিয়ে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত আয়োজিত এক কৰ্মশালাত অংশগ্ৰহণ কৰে। শ্ৰীবিপুল চক্ৰৱৰ্তী আৰু মঃ এ. কে. এম. আখতাৰে Selection Grade লাভ কৰাৰ উপৰি মঃ আখতাৰে কলিয়াবৰ মহাবিদ্যালয়ত আয়োজিত এক আলোচনাচক্ৰত গৱেষণাপত্ৰ পাঠ কৰে। বিপুল চক্ৰৱৰ্তীয়ে ভূগোল বিভাগৰ ৰাষ্ট্ৰীয় আলোচনাচক্ৰত গবেষণাপত্ৰ পাঠ কৰে।

**ইংৰাজী বিভাগ ঃ** এই বিভাগে যোৱা শিক্ষাবৰ্ষত এখন বিভাগীয় বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। উত্তৰ-পূৰ পাৰ্বত্য বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° কে. চি. বৰালে বক্তৃতা প্ৰদান কৰে। বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰীমতী গায়ত্ৰী গোপে নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আৰু নগাঁও ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত আলোচনাচক্ৰত অংশগ্ৰহণ কৰে। শ্ৰীকমল চন্দ্ৰ শইকীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাদেমিক ষ্টাফ কলেজত এক পৰিশীলন পাঠ্যক্ৰমত অংশগ্ৰহণ কৰে। শ্ৰীযুত যতীন শৰ্মাই এম. ফিল ডিগ্ৰীৰ বাবে অধ্যয়ন কৰি আছে।



মহাবিদ্যালয়ত মঞ্চস্থ হৈছে বিষ্ণুপ্ৰসাদ ৰাভাৰ নাট সোণামুৱা গাঁও।

**বুৰঞ্জী বিভাগ ঃ** এই বিভাগত মুৰব্বী শ্ৰীমৃদুল কুমাৰ শইকীয়াই ভাৰপ্ৰাপ্ত উপাধ্যক্ষৰ

দায়িত্ব পালন কৰিছে। শ্ৰীমতী অনুৰূপা বৰাই নগাঁও ছোৱালী মহাবিদ্যালয় আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত আলোচনাচক্ৰ আৰু কৰ্মশালাত ভাগ লয়। শ্ৰীপ্ৰণৱ কুমাৰ সৰকাৰে গুৱাহাটীৰ আই. আই, ই-ত অনুষ্ঠিত উদ্যোগমুখিতাৰ ফেকাল্টি ডেভেল্‌পমেণ্ট কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

**ভূগোল বিভাগ ঃ** এই বিভাগে মহাবিদ্যালয়ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰ্থিক সাহায্যেৰে এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰে। বিভাগৰ মুৰব্বী শ্ৰীমতী আকাশী ভূঞাই আলোচনাচক্ৰখনৰ সংযোজক হিচাপে কৰ্যনিৰ্বাহ কৰিছিল। তেওঁ এইবাৰ এম. ফিল ডিগ্ৰী পোৱাৰ উপৰি কেবাখনো আলোচনাচক্ৰত যোগদান কৰে। বিভাগৰ প্ৰবক্তা হৰেশ্বৰ বৰদলৈ 'নেট' পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ লগতে শ্ৰীমতী জ্যোতিস্মিতা গায়নে বি. এড পৰীক্ষাত প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান লৈ উত্তীৰ্ণ হয়।

**ৰাজনীতি বিভাগ ঃ** ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা শ্ৰীযুত নকুল শৰ্মাই এটি পৰিশীলন পাঠ্যক্ৰমত আংশগ্ৰহণ কৰে। শ্ৰীযুত হৰেকৃষ্ণ বৰাই এটি কৰ্মশালাত যোগদান কৰে। এই বিভাগৰ শিক্ষকসকলো বিভিন্ন বিদ্যায়তনিক কাম-কাজত জড়িত হৈ আছে।

**শিক্ষা বিভাগ ঃ** এই বিভাগেও পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক বিভাগীয় কৰ্মশালা অনুষ্ঠিত কৰে। বিভাগৰ প্ৰবক্তা শ্ৰীমতী মামণি শইকীয়া, শ্ৰীমতী অঞ্জনা গোস্বামী, শ্ৰীমতী বিজু বৰাই আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয় আৰু নগাঁও ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত আলোচনাচক্ৰত অংশগ্ৰহণ কৰে।

## মহাবিদ্যালয়ৰ পুথিভঁৰাল

দহ হাজাৰতকৈ অধিক গ্ৰন্থেৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সমৃদ্ধ। প্ৰত্যেক বিভাগৰ পাঠ্যপুথি, প্ৰসঙ্গপুথিৰ উপৰি বিভিন্ন বিষয়ৰ উচ্চ পৰ্যায়ৰ গ্ৰন্থ, ৰচনাৱলী, কেবাখনো জাৰ্ণেল, আলোচনী, বাতৰি কাকত এই পুথিভঁৰালত আছে। ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰিবৰ বাবে সুবিধাজনক অধ্যয়ন কোঠা আছে। কম পইচাত 'ফটোষ্টেট' কৰাৰ সুবিধাও পুথিভঁৰালত আছে। দুখীয়া ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব পৰাকৈ বুক বেঙ্কৰো ব্যৱস্থা কৰা হৈছে।

**ড° বিৰিঞ্চি কুমাৰ বৰুৱা জন্ম শতবাৰ্ষিকী অনুষ্ঠান ঃ** বহুমুখী প্ৰতিভাৰ গৰাকী ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ জন্ম শতবাৰ্ষিকী উপলক্ষে মহাবিদ্যালয়ে বছৰজোৰা কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লৈছে। আৰম্ভণি অনুষ্ঠান হিচাপে ২০০৭ চনৰ ১৬ অক্টোবৰত অসমীয়া বিভাগে বক্তৃতানুষ্ঠানৰ আয়োজন কৰে আৰু ১৬,

১৭ অক্টোবৰত মহাবিদ্যালয়ত অন্বেষা গ্ৰন্থমেলাৰ আয়োজন কৰা হয়। ২০০৭ চনৰ ১৭ অক্টোবৰ তাৰিখে মহাবিদ্যালয়ত বিষ্ণুপ্ৰসাদ ৰাভাৰ নাটক 'সোণামুৰা গাঁও' মঞ্চস্থ কৰা হয়। স্থানীয় 'নাট্যম' নাট্যগোষ্ঠীয়ে নাট পৰিচালক অঞ্জন ভূঞাৰ পৰিচালনাৰে নাটখন সুন্দৰকৈ মঞ্চস্থ কৰে। ২০০৮ চনৰ ৩১ মে' তাৰিখে পুৰণিগুদাম ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত উচ্চ মাধ্যমিক পৰ্যায়ত **অসমৰ গাঁৱলীয়া সমাজ আৰু আচাৰ ৰীতি** শীৰ্ষক এখনি বক্তৃতা প্ৰতিযোগিতা হৈ যায়। ২৩ আগষ্ট '০৮ তাৰিখে প্ৰখ্যাত সত্ৰীয়া নৃত্য বিশাৰদ শ্ৰীযুত ঘনকান্ত শইকীয়া বৰবায়নদেৱে 'সত্ৰীয়া নৃত্য' সম্পৰ্কে এটি বক্তৃতা প্ৰদান কৰিব। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আৰু কৰ্ম সম্পৰ্কে এখন গ্ৰন্থ প্ৰকাশ কৰাৰো দিহা কৰা হৈছে। চলিত বৰ্ষৰ ১৬ অক্টোবৰ তাৰিখে ড° বিৰিঞ্চি কুমাৰ বৰুৱা স্মাৰক বক্তৃতা প্ৰদান কৰিবলৈ ড° বীৰেন্দ্ৰ নাথ দত্তদেৱক আমন্ত্ৰণ জনোৱা হৈছে। তেখেতে বক্তৃতা প্ৰদান কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। আগষ্ট মাহত অৰূপ মান্না পৰিচালিত 'আইদেউ' কথাছবিখন প্ৰদৰ্শন কৰাৰ আঁচনিও আছে।



গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাৰ এটি উত্তেজনাময় দৃশ্য

**আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা ঃ** চলিত বৰ্ষৰ জানুৱাৰি মাহৰ ২০, ২১, ২২ আৰু ২৩ তাৰিখে মহাবিদ্যালয়ৰ ব্যৱস্থাপনাত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাখন অনুষ্ঠিত হৈ যায়। বিভিন্নজনৰ সহায়-সহযোগিতাই প্ৰতিযোগিতাখন সফল কৰি তোলে। প্ৰতিযোগিতাৰ ফাইনেল খেলখনত অভয়াপুৰী মহাবিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে।

**আন্তঃগাঁথনিগত দিশৰ উন্নয়ন ঃ** মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসটি ছাত্ৰীৰ বাবে সাজু হৈ উঠিছে। চলিত শিক্ষাবৰ্ষৰপৰাই ছাত্ৰীসকল ইয়াত থাকিব পাৰিব। ইতিমধ্যে ইয়াৰ সম্প্ৰসাৰণৰ কামো আৰম্ভ হৈছে। মে' মাহৰ ৭ তাৰিখে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰো শুভাৰম্ভ কৰা হয়।

পুৰণিগুদামৰ বিশিষ্ট ব্যক্তি শ্ৰীযুত বদন চন্দ্ৰ খাউণ্ডদেৱে প্ৰেক্ষাগৃহৰ শুভাৰম্ভ কৰে। মহাবিদ্যালয়ৰ প্ৰশাসনীয় ভৱনৰো নিৰ্মাণকাৰ্য সোনকালে আৰম্ভ হ'ব।

## অন্যান্য কাম-কাজৰ খতিয়ান

মহাবিদ্যালয়খনক বিভিন্ন দিশত আগবঢ়াই নিবলৈ কিছুমান কোষ গঠন কৰা হৈছে আৰু এই কোষবিলাকে বিভিন্ন দিশত কুশলতাৰে কাৰ্যনিৰ্বাহ কৰি আছে। মহাবিদ্যালয়ৰ 'অ'মেন্ছ ফ'ৰামে' শঙ্কৰ মিচনত দুপৰীয়াৰ এসাজ আহাৰ দান কৰাৰ লগতে বানাক্ৰান্ত সাহায্য শিবিৰলৈ সহায় আগবঢ়াইছে। ফ'ৰামে ৰচনা প্ৰতিযোগিতা, কৰ্মশালা আদি অনুষ্ঠিত কৰিছে। আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষে (IQAC) শিক্ষাৰ মানদণ্ড বৃদ্ধি কৰাৰ বাবে বিভিন্ন আলোচনা, পৰামৰ্শ আগবঢ়ায়। ১৫-০৯-০৭ তাৰিখে মহাবিদ্যালয়ত



অধ্যক্ষৰ সহযোগত শ্ৰীযুত বদন চন্দ্ৰ খাউণ্ডদেৱে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ শুভাৰম্ভ কৰিছে।

পৰিৱেশ সম্পৰ্কীয় এটি জনপ্ৰিয় বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। ৩-৪-২০০৮ তাৰিখে পীতাম্বৰদেৱ গোস্বামী হাইস্কুলত 'উদ্যোগমুখিতাৰ প্ৰতি সচেতনতা' সৃষ্টি কৰিবলৈ এক কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াদেৱে 'বিনায়ক মিশ্বন বিশ্ববিদ্যালয়, চালেম'ৰ এম. ফিল গাইডশ্বিপ লাভ কৰিছে। তেজপুৰৰ ভাৰতীয় ইতিহাস সংকলন সমিতিয়ে প্ৰকাশ কৰা 'শোণিতপুৰ যুগে যুগে' নামৰ গ্ৰন্থ, পদ্মনাথ গোহাঞিবৰুৱা শাখা সাহিত্য সভাৰ পত্ৰিকাৰ উপৰি বিভিন্ন কাকত-আলোচনীত তেখেতৰ প্ৰবন্ধ আদি প্ৰকাশ পাইছে। তদুপৰি অসম কবি সমাজে প্ৰকাশ কৰা 'কবি আৰু কবিতা' পুথিত আৰু শোণিতপুৰ জিলা সাহিত্য সভাই প্ৰকাশ কৰা কবিতা পুথি 'শব্দশিল্প'ত কেইবাটাও কবিতাই স্থান পাইছে।

শিক্ষাসদী কামৰ উপৰি মহাবিদ্যালয়ৰ

শিক্ষক সমাজ বিভিন্ন সামাজিক কাম-কাজত জড়িত।

## মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ বাবে কাৰ্যব্যৱস্থা

মহাবিদ্যালয়ৰ সকলো কাম-কাজ ছাত্ৰ-ছাত্ৰী কেন্দ্ৰিক। তেওঁলোকৰ শাৰীৰিক, মানসিক উন্নতিৰ কাৰণে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। 'দৰিদ্ৰ ছাত্ৰনিধি' গঠন কৰি প্ৰতিবছৰে দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলক কিছু আৰ্থিক সাহায্য দিয়া হয়। স্নাতক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰ পাই উত্তীৰ্ণ হোৱা ছাত্ৰ / ছাত্ৰীগৰাকীক প্ৰয়াত অধ্যাপক নিৰোদ প্ৰসাদ মহান্তিদেৱৰ নামত এহেজাৰ টকাৰ এটি বঁটা প্ৰদান কৰিবৰ বাবে অধ্যাপিকা মামণি শইকীয়াই এটি ন্যাস গঠন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। গণতান্ত্ৰিক পদ্ধতিৰে ভোটদান কৰি ছাত্ৰ-ছাত্ৰীসকলে ছাত্ৰ একতা সভাৰ প্ৰতিনিধি নিৰ্বাচন কৰি ল'ব পাৰে। তেওঁলোকৰ চিন্তা-চৰ্চা, সুকুমাৰ ভাব প্ৰকাশ কৰিবৰ বাবে তিনিখনকৈ প্ৰাচীৰ পত্ৰিকা আৰু এখন বাৰ্ষিক আলোচনী আছে। অন্যান্য দিশত প্ৰতিভা প্ৰদৰ্শন আৰু বিকাশ ঘটাবৰ বাবে সপ্তাহ সমাৰোহৰ আয়োজন হয়। তাৰ উপৰি সৰস্বতী পূজা, শঙ্কৰদেৱৰ তিথি, ফাতেহা-দোৱাজ-ই-দহম মহাবিদ্যালয়ত উলহ-মালহেৰে পালন কৰা হয়।

অধ্যয়নত পাছ পৰি ৰোৱা ছাত্ৰ-ছাত্ৰীসকলক Remedial Class-ৰ যোগেদি পৰীক্ষাত কৃতকাৰ্য হ'বৰ বাবেও সাজু কৰি তোলাৰ প্ৰয়াস শিক্ষকসকলে অব্যাহত ৰাখিছে।

## মহাবিদ্যালয় পৰিচালনা সমিতি

মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী চিত্ৰলেখা ফুকনৰ মৃত্যু মহাবিদ্যালয়ৰ বাবে অপূৰণীয় ক্ষতি। নৱগঠিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিখন নিম্নোক্ত ধৰণৰ —

**সভাপতি ঃ**

শ্ৰীযুত সহজানন্দ ওজা

**সম্পাদক ঃ**

ড° ভূপেন শইকীয়া (অধ্যক্ষ, ড° বি.কু.ব. মহাবিদ্যালয়)

**সদস্য ঃ-**

শ্ৰীযুত মৃদুল কুমাৰ শইকীয়া (উপাধ্যক্ষ)
শ্ৰীযুত যুগল চন্দ্ৰ দেৱগোস্বামী
শ্ৰীযুত যোগানন্দ গোস্বামী
শ্ৰীযুত ফণীন্দ্ৰ নাথ গায়ন
শ্ৰীমতী ৰেণু ফুকন
শ্ৰীযুত উৎপল বৰা
মঃ কুতুবুদ্দিন আহমেদ
মহাবিদ্যালয়ৰ শিক্ষকৰ দুজন প্ৰতিনিধি এতিয়াও নিৰ্বাচন কৰিবলৈ বাকী আছে।

ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় অধ্যক্ষৰ দ্বাৰা প্ৰকাশিত

মুদ্ৰণ ঃ অজন্তা প্ৰেছ, নগাঁও। ফোন ঃ ০৩৬৭২-২২৩৫০৭